# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১। ৰাজ্যৰ ২০ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক বানৰ কবলত। বান পৰিস্থিতি সন্দৰ্ভত ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ মুখ্যমন্ত্ৰীৰ সৈতে ফোনযোগে আলোচনা।

২। অসম মন্ত্ৰীসভাৰ বৈঠকত ডিমা হাছাও জিলাৰ পাঁচটা পথ ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ সিদ্ধান্ত।

৩। ২০২৭ চনৰ ১ মাৰ্চক ভিত্তি তাৰিখ হিচাপে লৈ কেন্দ্ৰীয় চৰকাৰৰ লোকপিয়ল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

৪। ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত কৰ্ণধাৰ সমিতিৰ প্ৰথমখন বৈঠক সম্পন্ন। *আৰু*

৫। বান পৰিস্থিতিৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ ৬খন ৰে'লৰ চলাচল বাতিল।

০০০০০

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২০ খন জিলাৰ ৬ লাখ ১৭ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৪৮৯ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। এই সময়ছোৱাত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ধনশ্ৰী, পাঁচনৈ আৰু ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ওৰাং ৰাষ্ট্ৰীয় উদ্যান বানৰ কবলত পৰিছে। উদ্যানখনৰ প্ৰায় ৪০ শতাংশ অঞ্চল বাঢ়নী পানীয়ে বুৰাই পেলাইছে। উদ্যানখনৰ ১২টা বন শিবিৰ জলমগ্ন হৈ পৰিছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো বনৰীয়া জীৱ-জন্তুসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বন কৰ্মীসকলে নাৰেৰে কৰ্তব্য পালন কৰিবলগীয়া হৈছে। বানৰ বাবে উদ্যানখনৰ জীৱ-জন্তু ওখ স্থানলৈ ঢাপলি মেলা পৰিলক্ষিত হৈছে।

গোলাঘাট জিলাৰ দেৰগাঁৱৰ কেইবাটাও অঞ্চল ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে প্লাৱিত কৰিছে। সাংসদ কামাখ্যা প্ৰসাদ তাছাই বানত ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিভ্ৰমণ কৰি বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ বানত ক্ষতিগ্ৰস্ত লোকসকলক সকলো সহায় আগবঢ়াবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

বান পৰিস্থিতিৰ বুজ ল'বলৈ কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি কাছাৰত দুদিনীয়া কাৰ্যসূচীৰে উপস্থিত হৈছে। তেওঁ শিলচৰ-শিৱবাৰী ৰোডৰ সিংকিং জ'ন পৰিদৰ্শন কৰি যাত্ৰাপুৰ, গনিৰগ্ৰাম আৰু কাটিগড়াৰ সিদ্ধেশ্বৰত বান পৰিস্থিতিৰ বুজ লয়। বিভিন্ন বান শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতেও তেওঁ মত-বিনিময় কৰে। কাছাৰৰ বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা আখিৰাণী দাস-—

**-ভইচ কাষ্ট-**

ইপিনে, ৰাজ্যৰ সাম্প্ৰতিক বান সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে বাৰ্তালাপত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য আৰু বন্যাৰ্তৰ পুনৰসংস্থাপনৰ প্ৰচেষ্টাৰ বাবে সকলো ধৰণৰ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।

০০০০০

বান পৰিস্থিতিৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি আৰু কাইলৈ চলিবলগীয়া ৬খন ৰে'লৰ চলাচল বাতিল কৰিছে। বদৰপুৰ-দুৰ্লভচৰা যাত্ৰীবাহী ৰেল, দুৰ্লভচৰা-বদৰপুৰ, শিলচৰ-দুৰ্লভচৰা ফাষ্ট পেচেঞ্জাৰ, দুৰ্লভচৰা-শিলচৰ, আগৰতলা-ধৰ্মনগৰ আৰু ধৰ্মনগৰ-আগৰতলা যাত্ৰীবাহী ৰে'ল বাতিল কৰা হৈছে। শিলচৰৰ ৰেললাইনত পানী জমা হোৱা বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০

অসম মন্ত্ৰীসভাই আজি ডিমা হাচাও জিলাৰ পাঁচটা পথ ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ সিদ্ধান্ত লৈছে। ১৭৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পাঁচটা পথক ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰাৰ কাম বান পৰিস্থিতি সুস্থিৰ হোৱাৰ পাছতে আৰম্ভ কৰা হ'ব। আজি দিছপুৰ অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। ইয়াৰ বাবে ৩ হাজাৰ ৮৭৫ কোটি টকাৰ অনুমোদন দিয়া হৈছে আৰু ৮০ শতাংশ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰিব। বৈঠকত কনকলতা বিশ্ববিদ্যালয়ৰ ৪০০ কোটি টকা ব্যয়ৰ অনুমোদন জনোৱা হৈছে। বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ সময়ত ভূমি অধিগ্ৰহণ কৰা পৰিয়ালসমূহৰ সদস্যক বিশ্ববিদ্যালয়ৰ চৌহদত স্থায়ী সংস্থাপন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। এই বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, আধুনিক সময়ৰ উদ্যোগ ক্ষেত্ৰকে ধৰি বিভিন্ন অত্যাধুনিক বিষয়ত পাঠদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আই আই টি গুৱাহাটী আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ কেইবাগৰাকীও বিশেষজ্ঞ অধ্যাপকক এই বিশ্ববিদ্যালয়খনৰ পাঠ্যক্ৰম যুগুত কৰাৰ দায়িত্ব দিয়া হৈছে। বিশ্ববিদ্যালয়খনত সাধাৰণ পাঠ্যক্ৰম থাকিব যদিও প্ৰযুক্তি ক্ষেত্ৰখনত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ ৩০০টা কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীক ১৫ লাখ টকাকৈ আগবঢ়োৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনা নামেৰে এই আঁচনি ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৭ চনৰ ১ মাৰ্চক ভিত্তি-তাৰিখ হিচাপে লৈ সমগ্ৰ দেশতে জাতি-ভিত্তিক লোকপিয়ল কৰাৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সূত্ৰই আজি নতুন দিল্লীত প্ৰকাশ কৰা অনুসৰি লাডাখ, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ তুষাৰপাত হোৱা অঞ্চলসমূহত ইয়াৰ বাবে ২০২৬ চনৰ ১ অক্টোবৰক ভিত্তি-তাৰিখ হিচাপে লোৱা হ'ব। জাতি-ভিত্তিক লোকপিয়লৰ বাবে অহা ১৬ জুনত

আনুষ্ঠানিক অধিসূচনা জাৰি কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, দেশত ২০১১ চনত অনুষ্ঠিত শেহতীয়া লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হৈছিল। ইয়াৰ প্ৰথম পৰ্যায়ত বাসগৃহসমূহ চিহ্নিত কৰা হৈছিল আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যা গণনা কৰা হৈছিল। প্ৰতি দশকৰ মূৰে মূৰে হ'বলগীয়া এই লোকপিয়ল ২০২১ চনত কৰিবলগীয়া আছিল যদিও কোভিড মহামাৰীৰ বাবে ইয়াৰ কাম স্থগিত ৰখা হৈছিল।

০০০০০

**ড০ ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত আজি দিছপুৰৰ লোকসেৱা ভৱনত কৰ্ণধাৰ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জন্ম শতবাৰ্ষিকী উদযাপনৰ কাৰ্যসূচী সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰা হয়। বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ড০ ভূপেন হাজৰিকাৰ জীৱন-ভিত্তিক এখন গ্ৰন্থ প্ৰকাশ কৰা হব। অনুৰাধা শৰ্মা পূজাৰীয়ে লিখা এই গ্ৰন্থখন ২৩টা ভাষালৈ অনুবাদ কৰা হব। ৰাজ্যৰ ১০ লাখ পৰিয়াললৈ এই গ্ৰন্থখন প্ৰেৰণ কৰা হব। ইয়াৰ লগতে দেশৰ ৪ লাখতকৈও অধিক শিক্ষানুষ্ঠান, পুথিভঁৰালত এই গ্ৰন্থখন ৰখা হব বুলি তেওঁ কয়। ৮ ছেপ্টেম্বৰত হবলগীয়া শতবাৰ্ষিকী অনুষ্ঠানত এই গ্ৰন্থখন মুকলি কৰা হব। এই সন্দৰ্ভত সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এনেদৰে কয়।**

**ভইচ কাষ্ট**

০০০০০

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত দেশজুৰি গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। অসমতো অটল নগৰীয়া উজ্জীৱিতকৰণ আৰু ৰূপান্তকৰণ অভিযান অৰ্থাৎ অম্রুত আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অভিযানৰ প্ৰথম পৰ্যায়ত ইতিমধ্যে কাৰ্যসূচী লোৱা হৈছে আৰু কাইলৈৰ পৰা অহা ৩১ আগষ্টলৈ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী লোৱা হ'ব। কাইলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰিৱেশ দিৱস উপলক্ষে অন্যান্য সজাগতা কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই উপলক্ষে বিদ্যালয়সমূহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমগ্ৰ শিক্ষা অসমে কাইলৈ বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি **এক পেড় মা কে নাম** কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ অধীনত বিদ্যালয়সমূহত গছপুলি ৰোপণৰ বাবে আহ্বান জনাইছে। এই অনুসৰি প্ৰতিখন বিদ্যালয়ে কমেও পাঁচটাকৈ গছপুলি ৰোপণ কৰিব লাগিব। অহা ৩০ ছেপ্তেম্বৰলৈকে চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন বিদ্যালয়ে কমেও ৭০টাকৈ গছপুলি ৰোপণ কৰিব লাগিব। গছপুলিসমূহ বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু তেওঁলোকৰ মাতৃসকলে একেলগে ৰোপণ কৰিব লাগিব আৰু গছপুলি ৰোপণৰ এখনকৈ ছেল্ফি ECOCLUBS.EDUCATION.GOV.IN ত আপলোড কৰিব লাগিব।

০০০০০

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত দিনৰ ১১ বজাত গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিদ্যালয়খনৰ পঞ্চমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধ সম্পৰ্কে ছবি আঁকা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ পৰিচালনাত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট পৰিৱেশ কৰ্মী,

অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্চ্ বেকনৰ সঞ্চালক সৌম্যদীপ দত্তই বিশ্বজুৰি প্লাষ্টিক প্ৰদূষণ ৰোধ আৰু পৰিৱেশ সজাগতা সন্দৰ্ভত ভাষণ দিব। বিদ্যালয়খনৰ জীৱ বিজ্ঞানৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী চন্দনা কলিতাই প্লাষ্টিক প্ৰদূষণ ৰোধ বিষয়ক ভাষণ আগবঢ়াব। আকাশবাণী গুৱাহাটীয়ে কাইলৈ দিনৰ ১১ বাজি ১৫ মিনিটৰ পৰা এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

ooooo

বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ ডি এইচ এছ্ কানৈ মহাবিদ্যালয়ে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। মহাবিদ্যালয়খনে কাইলৈ গছে গছে কিউ আৰ ক'ড শীৰ্ষক এক কাৰ্যসূচী হাতত লৈছে। এই কাৰ্যসূচীৰ জৰিয়তে মহাবিদ্যালয়খনৰ চৌহদৰ প্ৰতিজোপা গছত কিউ আৰ ক'ড সংযুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে, যাৰ জৰিয়তে শিক্ষাৰ্থীৰ লগতে যিকোনো ব্যক্তিয়ে স্কেন কৰিয়েই গছজোপাৰ বিষয়ে তথ্য লাভ কৰিব পাৰিব। মহাবিদ্যালয়খনে প্ৰতিজোপা গছৰ নাম সকলোৱে জানিব পৰাকৈ প্ৰযুক্তিৰ মাধ্যমেৰে চিনাক্ত কৰি কিউ আৰ ক'ড সংযুক্তকৰণেৰে গছ-গছনিৰ সুৰক্ষাৰ প্ৰতি সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰিছে।

ooooo

সাম্প্ৰতিক বানত ৰাজ্যৰ কৃষি ভূমিসমূহৰ হোৱা ক্ষতি সন্দৰ্ভত পৰ্যালোচনা আৰু ইয়াৰ জোৰা মৰাৰ বাবে ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত আলোচনা কৰিবলৈ আজি কৃষিমন্ত্ৰী অতুল বৰাই বিভাগীয় শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত পৰ্যাপ্ত সংখ্যক সমূহীয়া পুলি বাগান স্থাপন কৰি বানপীড়িত কৃষকসকলক বিনামূলীয়াকৈ কঠিয়া বিতৰণৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। শ্ৰীবৰাই লগতে সময়োপযোগী আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰি ক্ষতিগ্ৰস্তসকলক সকাহ দিয়াৰ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে কৃষকসকলৰ সুবিধাৰ্থে তাৎক্ষণিক প্ৰয়োজনীয় সঁহাৰি দিবলৈ সঞ্চালকালয় আৰু জিলা পৰ্যায়ত নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। আজিৰ বৈঠকত কৃষি বিভাগৰ আয়ুক্ত সচিব তথা কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজ'ৰীয়া, বিভাগৰ সঞ্চালক ডাঃ পি উদয় প্ৰবীনৰ উপৰি ভালেসংখ্যক শীৰ্ষ বিষয়া উপস্থিত থাকে।

ooooo

বিগত কেইবাদিনো ধৰি তেজপুৰ নগৰত আতংকৰ সৃষ্টি কৰা অহা বনৰীয়া ম'হটোৰ মৃতদেহ আজি নগৰখনৰ প'ল'ফিল্ড অঞ্চলৰ পৰা উদ্ধাৰ কৰা হয়। বানপানীত বনাঞ্চলৰ পৰা উটি আহি তেজপুৰ নগৰত প্ৰৱেশ কৰা এই ম'হটোৰ আক্ৰমণত অঞ্চলটোৰ দুজন লোক নিহত হোৱাৰ লগতে কেইবাজনো লোক আহত হৈছিল আৰু অঞ্চলটোত আতংকময় পৰিৱেশৰ সৃষ্টি হৈছিল। আজি পুৱাৰ ভাগত স্থানীয় লোকে ম'হটোৰ মৃতদেহ দেখা পাই আৰক্ষী আৰু বন বিভাগক খবৰ দিয়ে। এই বনৰীয়া ম'হটোৰ মৃত্যুৰ কাৰণ সম্পৰ্কে বন বিভাগে এতিয়াও কোনো কথা প্ৰকাশ কৰা নাই।

ooooo

বৰপেটাৰ মাজদিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া লোকমান আলীক কৰ্তব্যত গাফিলতি কৰাৰ অভিযোগত আজি চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। অভিযোগ অনুসৰি মাজদিয়া আৰক্ষী চকীৰ অধীনৰ কুকাৰপাৰৰ ছবুৰী উদ্দিন আহমেদ নামৰ এজন চিকিৎসকৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ অলপতে চোৰে বহু পৰিমাণৰ সা-সামগ্ৰী লুটি নিছিল। ঘটনা সন্দৰ্ভত যোৱা ১০ মে'ত ভুক্তভোগী আহমেদে মাজদিয়া আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষী বিষয়াজনে

এজাহাৰখনত কোনো গুৰুত্ব নিদিলে। পৰৱৰ্তী সময়ত অভিযোগকাৰী পক্ষই বৰপেটা জিলা আৰক্ষীৰ কাষ চাপে। এই অভিযোগৰ ভিত্তিত জিলা আৰক্ষীয়ে প্ৰাথমিক অনুসন্ধান চলাই ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনৰ গাফিলতি ধৰা পেলায়। ইয়াৰ পাছতে বৰপেটাৰ আৰক্ষী অধীক্ষকে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলীক চাকৰিৰ পৰা নিলম্বন কৰে।

ooooo

সমাপ্ত